# 2023

# HISTORY

## ( Regular Elective )

Paper : HIS–RE–6016

**[ History of Assam (C 1826–1947) ]**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions in *one* word or in *one* sentence each : 1×10=10

তলত দিয়া প্ৰশ্নসমূহৰ প্ৰতিটোৰ উত্তৰ এটা শব্দ বা এটা বাক্যত লিখা :

*(a)* Who was the Agent to the Governor-General, North-East Frontier in 1826?

১৮২৬ চনত উত্তৰ-পূব সীমান্তত গৱৰ্ণৰ-জেনেৰেলৰ এজেণ্ট কোন আছিল ?

(b) Who first introduced steamers in Assam?

অসমত কোনে প্ৰথমতে বাষ্পচালিত নাওৰ ব্যৱহাৰ আৰম্ভ কৰিছিল ?

(c) In which year was Upper Assam permanently annexed to the British Empire in India?

কোন চনত উজনি অসমক স্থায়ীভাৱে ভাৰতৰ বৃটিচ সাম্ৰাজ্যৰ লগত চামিল কৰা হয় ?

(d) In which year Gomdhar Konwar revolted against the British?

গোমধৰ কোঁৱৰে কোন চনত বৃটিচৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল ?

(e) Who was Richard Harte Keatinge?

ৰিচাৰ্ড হাৰ্ট কিটিঞ্জ কোন আছিল ?

(f) Name the first President of Assam Sahitya Sabha.

অসম সাহিত্য সভাৰ প্ৰথমগৰাকী সভাপতিৰ নাম লিখা।

(g) When was the Pandu Session of Indian National Congress held?

ভাৰতৰ জাতীয় কংগ্ৰেছৰ পাণ্ডু অধিবেশন কেতিয়া অনুষ্ঠিত হৈছিল ?

(h) Where was the 'Assam Match Company' established?

'অসম মেচ কোম্পানী' ক'ত প্ৰতিষ্ঠা কৰা হৈছিল?

(i) Who was Pitambar Deva Goswami?

পীতাম্বৰ দেৱ গোস্বামী কোন আছিল?

(j) Name the Muslim organization of Sylhet which advised all Muslims to vote for an undivided Assam in Sylhet Referendum.

চিলেট গণভোটত অবিভাজিত অসমৰ পক্ষে ভোটদান কৰিবলৈ আহ্বান জনোৱা ইচলামীয় সংগঠনটোৰ নাম লিখা।

**2.** Answer the following questions in brief : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা :

(a) Mention two important provisions of the Treaty of Yandaboo.

ইয়াণ্ডাবু সন্ধিৰ দুটা গুৰুত্বপূৰ্ণ দফা উল্লেখ কৰা।

(b) Name the four districts of Assam created by T. C. Robertson.

টি. চি. ৰবাৰ্টচনে সৃষ্টি কৰা অসমৰ চাৰিখন জিলাৰ নাম লিখা।

(c) Who was Govinda Chandra? When was he murdered?

গোবিন্দ চন্দ্ৰ কোন আছিল? তেওঁক কেতিয়া হত্যা কৰা হৈছিল?

(d) When was the Ahom Association formed? Who was its pioneer?

আহোম এচোচিয়েচন কেতিয়া গঠিত হৈছিল? ইয়াৰ পুৰোধা ব্যক্তিগৰাকী কোন আছিল?

(e) Mention two constituent organizations of the Tribal League in Assam.

অসমত ট্ৰাইবেল লীগত অন্তৰ্ভুক্ত দুটা সংগঠনৰ নাম উল্লেখ কৰা।

**3.** Write short notes on any *four* of the following : 5×4=20

তলত দিয়াসমূহৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা :

(a) Khasi Rebellion

খাচী বিদ্ৰোহ

(b) Jorhat Sarvajanik Sabha

যোৰহাট সাৰ্বজনিক সভা

(c) The Government of India Act, 1919 and dyarchy in Assam

১৯১৯ চনৰ ভাৰত শাসন আইন আৰু অসমত দ্বৈতশাসন

(d) Swarajist Movement in Assam

অসমত স্বৰাজীয় আন্দোলন

(e) Role of the students in the Civil Disobedience Movement in Assam

অসমত আইন অমান্য আন্দোলনত ছাত্ৰৰ ভূমিকা

(f) Grouping controversy in Assam

অসমত গ্ৰুপিং বিতৰ্ক

4. Answer any *four* of the following questions : 10×4=40

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) "Despite his good intentions, Scott was unable to achieve what he desired."
In the light of the above statement, evaluate the administrative reforms of David Scott.

"সুউদ্দেশ্য সত্ত্বেও স্কটে তেওঁ বিচৰা লক্ষ্যত উপনীত হ'ব পৰা নাছিল।"
উপৰিউক্ত কথাষাৰৰ আলোকত ডেভিড স্কটৰ প্ৰশাসনীয় সংস্কাৰৰ মূল্যায়ন কৰা।

(b) Analyze the administrative reforms of Major Jenkins.

মেজৰ জেনকিঞ্চৰ প্ৰশাসনীয় সংস্কাৰসমূহ বিশ্লেষণ কৰা।

(c) Narrate the circumstances that led the British to restore the Ahom monarchy in Upper Assam.

উজনি অসমত বৃটিচসকলক আহোম ৰাজতন্ত্ৰ পুনৰস্থাপন কৰিবলৈ বাধ্য কৰোৱা পৰিস্থিতিসমূহ বৰ্ণনা কৰা।

(d) What were the political, social and economic conditions of Assam immediately before 1857? Why did Maniram Dewan raise his voice against the 'British Raj'?

১৮৫৭ চনৰ ঠিক আগে আগে অসমৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক পৰিস্থিতি কেনে আছিল? মণিৰাম দেৱানে 'বৃটিচ ৰাজ'ৰ বিৰুদ্ধে কিয় প্ৰতিবাদ কৰিছিল?

(e) Critically analyze the causes behind the Peasant Uprisings in Assam in the later half of the 19th century with special reference to the Phulaguri and Patharughat Uprisings.

ফুলাগুৰি আৰু পথৰুঘাটৰ বিদ্ৰোহৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি ঊনবিংশ শতিকাৰ শেষৰ অৰ্ধত সংঘটিত অসমৰ কৃষক বিদ্ৰোহৰ কাৰণসমূহ সমালোচনাত্মকভাৱে বিশ্লেষণ কৰা।

(f) How did Assam Association, Sarvajanik Sabhas and Ryot Sabhas help the growth of national consciousness in Assam?

অসমত জাতীয় সচেতনতা সৃষ্টিত অসম এচোচিয়েচন, সাৰ্বজনিক সভাসমূহ আৰু ৰায়ত সভাসমূহে কিদৰে সহায় কৰিছিল ?

(g) What were the impacts of the Non-Cooperation Movement in Assam?

অসমত অসহযোগ আন্দোলনৰ প্ৰভাৱসমূহ কি কি আছিল ?

(h) Discuss the activities of the trade union and allied movements in Assam after World War II.

দ্বিতীয় বিশ্বযুদ্ধৰ পিছত অসমত ট্ৰেড ইউনিয়ন আৰু সমধৰ্মী সংগঠনসমূহৰ কাৰ্যকলাপ আলোচনা কৰা।

★★★